# মূখ্য ন্যায়িক দণ্ডাধীশৰ কাৰ্য্যালয় :: ধেমাজী :: অসম

**ন্যায়িক বিষয়া আৰু কৰ্মচাৰীসকলৰ বৈঠক** তাং- ৩১/১২/২০১৯

## কাৰ্য্যবিৱৰণী

আজি ইং ৩১/১২/২০১৯ তাৰিখে মহামান্য গুৱাহাটী উচ্চ ন্যায়ালয়ৰ আদেশ নং ২৪ ৰ হুকুম মতে ন্যায়িক বিষয়া আৰু কাৰ্য্যালয়ৰ কৰ্মচাৰীসকলৰ বৈঠকখন মূখ্য ন্যায়িক দণ্ডাধীশৰ সভাপতিত্বত অনুষ্ঠিত হয়। মূখ্য ন্যায়িক দণ্ডাধীশ মহোদয়ৰ বক্তব্যৰে আৰম্ভ হোৱা বৈঠকখনত অন্য ন্যায়িক দণ্ডাধীশসকলৰ লগতে কাৰ্য্যালয়ৰ কৰ্মচাৰীসকল উপস্থিত থাকে।

বৈঠকৰ আৰম্ভণিতে Probation Period ত থকা কৰ্মচাৰীসকলক গাফিলতি নকৰাকৈ কাম কৰিবলৈ সকিয়াই দিয়ে। লগতে যিসকল কৰ্মচাৰীয়ে সম্পূৰ্ণ নৈমৃত্তিক ছুটী গ্ৰহণ নকৰিলে, তেওঁলোকৰ কামৰ প্ৰতি থকা স্পৃহাৰ শলাগ লয়। পূৰ্বৱৰ্তী সময়ৰ দৰে কাৰ্যালয়ৰ কামসমূহ বিষেশকৈ প্ৰশাসনিক আৰু বৃত্তীয় কাম-কাজসমূহ নিজে আগবাঢ়ি শিকিবলৈ আহ্বান জনায়। Release order ৰ পলম হ'লে হোৱা সমস্যা কাৰ্যালয়ৰ ফালৰ পৰা সমাধান কৰিবলৈ জনায়। ইয়াৰ ওপৰিও জামিন সম্বন্ধীয় সকলো কাম পৰাপক্ষত বিয়লি ৩টা বজাৰ আগত সম্পূৰ্ণ কৰিবলৈ GR বিভাগৰ সহায়ক তথা Bench সহায়ক সকলক নিৰ্দেশ কৰে।

সদ্য বিদায়ী অতিৰিক্ত মূখ্য দণ্ডাধীশ মহোদয়ে বিগত সময়ৰ অভিজ্ঞতা আৰু অনুভৱ সম্পৰ্কে বক্তৃতা প্ৰদান কৰে। লগতে সকলো কৰ্মচাৰীলৈ নৱবৰ্ষৰ শুভেচ্ছা প্ৰদান কৰে।

এজাহাৰসমূহ পলমকৈ প্ৰেৰণ কৰা বিসংগতিসমূহৰ আলোচনা কৰা হয় আৰু Eleka Magistrate সকলক এই ক্ষেত্ৰত বিশেষ ধ্যান দিবলৈ জনায়।

কাৰ্যালয়ৰ মূখ্য সহায়কৰ বক্তব্যৰ আৰম্ভণিতে সকলোকে আগন্তুক নৱবৰ্ষৰ শুভেচ্ছা জ্ঞাপন কৰে আৰু বিগত বৰ্ষৰ দৰে নতুন বছৰতো সকলোকে সমিলমিলেৰে কাৰ্যালয়ৰ কাম-কাজ নিয়াৰিকৈ পালন কৰিবলৈ জনায়। লগতে বিগত বৰ্ষত দীঘলীয়া ছুটীৰ ক্ষেত্ৰত হোৱা বিসংগতিসমূহ সকলোকে সাধ্যানুসাৰে দূৰ কৰিবলৈ নিৰ্দেশ কৰে। CCL ৰ বাবে আবেদন কৰা কৰ্মচাৰীসকলক প্ৰয়োজনুসৰী সন্তানৰ পৰীক্ষাৰ সময়সুচী দাখিল কৰিবলৈ জনায়। শেষত সকলোৰে মাজত আগন্তুক নৱবৰ্ষৰ শুভেচ্ছাৰ আদান প্ৰদানেৰে বৈঠকৰ সামৰণি পৰে।

মূখ্য ন্যায়িক দণ্ডাধীশ
(ৰুপক ৰজক)

| অতিৰিক্ত মূখ্য ন্যায়িক দণ্ডাধীশ | ১ম শ্ৰেনী ন্যায়িক দণ্ডাধীশ | ১ম শ্ৰেনী ন্যায়িক দণ্ডাধীশ |
|---|---|---|
| (ৰাহুল মেধি) | (মনিকা মিচং) | (নাজৰানা পাৰবিন ৰেহমান) |